**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 31-Aug-2025
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***

--------------------

১। বাংলাদেশী অনুপ্ৰৱেশকাৰীৰ বিৰুদ্ধে ৰাজ্য চৰকাৰে গ্ৰহণ কৰা পদক্ষেপৰ প্ৰতি কেন্দ্ৰীয় চৰকাৰে পূৰ্ণ সমৰ্থন দিছে বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ মন্তব্য।

২। বিটিচি নিৰ্বাচনৰ বাবে বিভিন্ন ৰাজনৈতিক দলৰ প্ৰাৰ্থী তালিকা প্ৰকাশ। প্ৰচাৰ অভিযান তীব্ৰতৰ।

৩। আকাশবাণীযোগে আজি দিনৰ এঘাৰ বজাত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ মন কী বাত।

৪। আকাশবাণীৰ দৃষ্টিপাত অনুষ্ঠানত বৰ্ষীয়ান সাংবাদিক হাইদৰ হুছেইনৰ ৰাজনৈতিক, সামাজিক উত্থান-পতনৰ সাক্ষী হোৱাৰ অভিজ্ঞতাৰ বিনিময়। ***আৰু***

৫। শিশুৰ বিনামূলীয়া শিক্ষাৰ অধিকাৰ আইনৰ প'ৰ্টেলত পঞ্জীয়ন সন্দৰ্ভত শপতনামা দাখিল কৰিবলৈ শিক্ষা বিভাগক গুৱাহাটী উচ্চ ন্যায়ালয়ৰ নিৰ্দেশ।

০০০০০০

ৰাজ্য চৰকাৰে বাংলাদেশী অনুপ্ৰৱেশকাৰীৰ বিৰুদ্ধে গ্ৰহণ কৰা ব্যৱস্থা আৰু উচ্ছেদ অভিযানৰ প্ৰতি কেন্দ্ৰীয় চৰকাৰৰ পূৰ্ণ সমৰ্থন আছে আৰু এইক্ষেত্ৰত কেন্দ্ৰই অসমক সকলো ধৰণে সহায় কৰিব। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে বিজেপি আৰু অগপৰ পঞ্চায়ত প্ৰতিনিধিৰ সন্মিলনত দিয়া ভাষণত কেন্দ্ৰীয় চৰকাৰৰ এই দৃষ্টিভংগী স্পষ্ট কৰা বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই মন্তব্য কৰিছে। দিছপুৰত কালি এখন সংবাদমেলত ড০ শৰ্মাই কয়, যে ৰাজ্য চৰকাৰে ১৯৭১ চনৰ পাছত আহি অসমত বাস কৰি থকা অবৈধ বাংলাদেশী আৰু নতুনকৈ অনুপ্ৰৱেশ কৰা বাংলাদেশীক সীমান্তৰে ঘূৰাই পঠিওৱাৰ প্ৰক্ৰিয়া অব্যাহত ৰাখিছে। তেওঁ কয়, যে প্ৰতিদিনে ২৫ৰ পৰা ৩০ জন অবৈধ বাংলাদেশীক ঘূৰাই পঠিয়াই থকা হৈছে আৰু ভৱিষ্যতে এই সংখ্যা বৃদ্ধি পাব।

**বাইট (চি এম)**

ঘূৰাই পঠিওৱাৰ প্ৰক্ৰিয়া নিৰন্তৰভাৱে আৰু তীব্ৰগতিত চলি থাকিব বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে ঘোষণা কৰে। তেওঁ কয়, যে সম্পূৰ্ণ আইনী প্ৰক্ৰিয়াৰে অনুপ্ৰৱেশকাৰীক ওভতাই পঠোৱা কাৰ্য চলি আছে। উচ্ছেদ অভিযান সন্দৰ্ভত মত প্ৰকাশ কৰি ড০ শৰ্মাই কয়, যে অবৈধ দখলকাৰীৰ কবলৰ পৰা শেষ টুকুৰা মাটি উদ্ধাৰ নকৰালৈকে এই অভিযান চলি থাকিব।

০০০০০০

সমাগত বিটিচি নিৰ্বাচনৰ বাবে বিভিন্ন ৰাজনৈতিক দলে প্ৰচাৰ প্ৰাৰ্থীৰ তালিকা প্ৰকাশ কৰাৰ লগতে প্ৰচাৰ অভিযান তীব্ৰ কৰি তুলিছে। কংগ্ৰেছ দলে কালি ৩১ টা পৰিষদীয় সমষ্টিৰ বাবে প্ৰাৰ্থীৰ তালিকা ঘোষণা কৰে। দলটোৱে চিৰাং জিলাৰ সাতটা পৰিষদীয় সমষ্টিৰ ভিতৰত চাৰিটাত প্ৰাৰ্থী দিছে। বি পি এফ দলে কালি এই নিৰ্বাচনৰ বাবে ১০ জনীয়া দ্বিতীয়খন প্ৰাৰ্থী তালিকা প্ৰকাশ কৰে। দলৰ সভাপতি হাগ্ৰামা মহিলাৰীয়ে কালি কোকৰাঝাৰত আয়োজিত এটা কাৰ্যসূচীত প্ৰাৰ্থীসকলৰ নাম ঘোষণা কৰে। ইপিনে বাক্সা জিলাৰ কোকলাবাৰী পৰিষদীয় সমষ্টিৰ লক্ষী বজাৰত কালি আবেলি বিটিআৰৰ মুৰব্বী প্ৰমোদ বড়োৱে দলীয় কৰ্মীসকলৰ সৈতে মত বিনিময় কৰে। তেওঁ এই নিৰ্বাচনৰ বাবে ইউ পি পি এলৰ দ্বিতীয়খন প্ৰাৰ্থী তালিকা শীঘ্ৰেই ঘোষণা কৰা হব বুলি উল্লেখ কৰে। শাসনাধিষ্ঠিত দলটোৱে কালি কোকৰাঝাৰ জিলাত নিৰ্বাচনী কাৰ্যালয় মুকলি কৰে। এই নিৰ্বাচনত দলে ৪০খন আসনতে প্ৰাৰ্থী দিব

বুলি ৰাজ্যসভাৰ সাংসদ ৰণগৌড়া নাৰ্জাৰীয়ে প্ৰকাশ কৰে। তেওঁ কয় যে দলটোৱে ইতিমধ্যে নিৰ্বাচনৰ বাবে ১৮ জনীয়া প্ৰথমখন প্ৰাৰ্থী তালিকা প্ৰকাশ কৰিছে। এই নিৰ্বাচনৰ বাবে ৰাজনৈতিক দলসমূহৰ তৎপৰতা সন্দৰ্ভত এয়া আমাৰ চিৰাং জিলাৰ সংবাদদাতা কুঞ্জমোহন ৰায়–

**(বাইট ঃ কুঞ্জমোহন ৰায়)**

০০০০০০

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কালি ৰাজ্যৰ বহিঃ সাহায্যপ্ৰাপ্ত প্ৰকল্পসমূহৰ ৰূপায়ণৰ অগ্ৰগতিৰ বুজ ল'বলৈ এখন গুৰুত্বপূৰ্ণ বৈঠকত অধ্যক্ষতা কৰে। এই বৈঠকত বিভিন্ন খণ্ডৰ প্ৰকল্পসমূহৰ বিষয়ে পৰ্যালোচনা কৰি মুখ্যমন্ত্ৰীয়ে মুখ্য সচিব ড০ ৰবি কোটাক প্ৰকল্পসমূহ নিয়মিতৰূপত পৰ্যৱেক্ষণ কৰিবলৈ নিৰ্দেশ দিয়ে। মুখ্যমন্ত্ৰীয়ে লোকনিৰ্মাণ বিভাগৰ ঠিকাদাৰসকলৰ সৈতে পৰ্যালোচনা বৈঠকত মিলিত হৈ ৰাজ্যজুৰি চলি থকা আন্তঃগাঁথনিমূলক প্ৰকল্পসমূহৰ বিষয়ে আলোচনা কৰে। তেওঁ লগতে ক্ৰীড়া, যুৱ কল্যাণ, লোকনিৰ্মাণ বিভাগ আৰু বিত্ত বিভাগৰ বিষয়াসকলৰ সৈতে কালি আলোচনাত মিলিত হয়। মুখ্যমন্ত্ৰী ড০ শৰ্মাই ৰাজ্যিক পৰ্যায়ৰ নিযুক্তি আয়োগ আৰু স্বাস্থ্য, শিক্ষা, গৃহকে ধৰি বিভিন্ন বিভাগৰ শীৰ্ষ বিষয়াসকলৰ সৈতেও বৈঠকত মিলিত হৈ নিয়োগ সম্পৰ্কীয় বিভিন্ন বিষয় আলোচনা কৰে। তদুপৰি মুখ্যমন্ত্ৰীয়ে কালি জিলা আয়ুক্ত আৰু সম-জিলা আয়ুক্তসকলৰ সৈতে ভিডিঅ' কনফাৰেন্স যোগে বৈঠকত অংশগ্ৰহণ কৰে। এই বৈঠকত ১৭ৰ পৰা ২৩ ছেপ্তেম্বৰলৈ উদযাপন কৰিবলগীয়া সেৱা সপ্তাহৰ প্ৰস্তুতিৰ পৰ্যালোচনা কৰা হয়। এই কাৰ্যসূচীৰ অধীনত তৃতীয় পৰ্যায়ৰ অৰুণোদয়ৰ শুভাৰম্ভ কৰা হ'ব। ইয়াৰ লগতে গ্ৰন্থবৰ্ষ উপলক্ষে এহেজাৰগৰাকী লেখকক ২৫ হাজাৰ টকাকৈ আৰ্থিক সাহায্য প্ৰদান আৰু ৭৫টা স্বেচ্ছামূলক ৰক্তদান শিবিৰৰ আয়োজন কৰা হ'ব। পৰিৱেশ সজাগতা অভিযানৰ অংশ হিচাপে ২০ হাজাৰ শিক্ষানুষ্ঠানলৈ ১৫ লাখ গছপুলি বিতৰণ কৰা হ'ব। ইয়াৰ উপৰি মিছন বসুন্ধৰা তৃতীয় পৰ্যায়ৰ অধীনত ভূমি পট্টা বিতৰণ কৰা হ'ব বুলিও মুখ্যমন্ত্ৰীয়ে জানিবলৈ দিয়ে।
০০০০

০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি দিনৰ এঘাৰ বজাত মন কী বাত অনুষ্ঠানত নিজৰ মনৰ ভাব ব্যক্ত কৰিব। এয়া হ'ব আকাশবাণীযোগে প্ৰচাৰিত মন কী বাতৰ ১২৫ সংখ্যক খণ্ড। এই অনুষ্ঠান আকাশবাণী আৰু দূৰদৰ্শনৰ আটাইবোৰ নেটৱৰ্কৰ উপৰি airnews ৱেবছাইট আৰু newsonair মোবাইল এপত শুনিবলৈ পোৱা যাব। প্ৰধানমন্ত্ৰীৰ কাৰ্যালয়, তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়, আকাশবাণী আৰু দূৰদৰ্শনৰ ইউটিউৱ চেনেল যোগেও এই অনুষ্ঠানৰ লাইভ ষ্ট্ৰিমিং কৰা হ'ব। আকাশবাণী গুৱাহাটী কেন্দ্ৰই অনুষ্ঠানটো প্ৰচাৰ হোৱাৰ ঠিক পাছতেই ইয়াৰ অসমীয়া ভাষান্তৰ প্ৰচাৰ কৰিব। এই অনুষ্ঠান ৰাজ্যখনৰ আটাইবোৰ আকাশবাণী কেন্দ্ৰই ৰীলে কৰিব। নিশা ৮ বজাত এই অনুষ্ঠানৰ অসমীয়া ভাষান্তৰ পুনৰ প্ৰচাৰ কৰা হ'ব।

০০০০০০

বৰাক উপত্যকাৰ দুদিনীয়া ভ্ৰমণসূচীৰে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা আজি দুপৰিয়া শিলচৰত উপস্থিত হ'ব। তেওঁ প্ৰথমে উদাৰবন্দৰ কাছাকান্তি মন্দিৰ দৰ্শন কৰাৰ পাছত শিলচৰৰ ৰাংগীৰখাৰি পইণ্টত নেতাজী সুভাষ চন্দ্ৰ বসুৰ নৱনিৰ্মিত মূৰ্তি উন্মোচন কৰিব। বিয়লি তেওঁ এখন জনসভাত ভাষণ দিব। মুখ্যমন্ত্ৰীয়ে আজি আবেলি ঘুংগুৰ বাইপাছত ছহিদ মংগল পাণ্ডেৰ নৱনিৰ্মিত মূৰ্তি উন্মোচন কৰাৰ লগতে শিলচৰ টেনিচ ক্লাব পৰিদৰ্শন কৰিব। কাইলৈ তেওঁ শ্ৰীভূমি জিলাৰ পাথাৰকান্দি সম-জিলালৈ গৈ নৱনিৰ্মিত মণ্ডল বিজেপিৰ কাৰ্যালয় উদ্বোধন কৰিব। তেওঁ মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা অভিযানৰ কাৰ্যসূচীতো অংশ ল'ব।

০০০০০০

সমাজত ইতিবাচক পৰিৱৰ্তন সাধনৰ বাবে অধিকাংশ লোকৰ মনত সংস্কাৰকামী আৰু পৰিৱৰ্তনমুখী চিন্তাৰ উদ্ৰেক হোৱাৰ প্ৰয়োজন। আকাশবাণী গুৱাহাটীৰ দৃষ্টিপাত অনুষ্ঠানত কালি বৰ্ষীয়ান সাংবাদিক হাইদৰ হুছেইনে এই

মন্তব্য কৰে। অনুষ্ঠানটোত সাংবাদিকগৰাকীয়ে তেওঁৰ সাংবাদিকতাৰ আৰম্ভণিৰ সময়ৰে পৰা বিভিন্ন ৰাজনৈতিক, সামাজিক উত্থান-পতনৰ সাক্ষী হোৱাৰ অভিজ্ঞতাৰ কথা উল্লেখ কৰে। জ্যেষ্ঠ সংবাদিকগৰাকীয়ে সমসায়িক ৰাজনীতি আৰু সামাজিক প্ৰেক্ষাপট সন্দৰ্ভত নিজৰ অভিজ্ঞতা ব্যক্ত কৰি সমাজত সুস্থ আৰু গঠনমূলক সমালোচনাৰ অভাৱ হৈছে বুলিও মন্তব্য কৰে। সমগ্ৰ পৃথিৱী আৰু সকলো ধৰ্মক এক বুলি ভবাৰ মানসিকতা ৰখা জ্যেষ্ঠ সাংবাদিকগৰাকীয়ে অসমীয়া হিচাপে গৌৰৱ অনুভৱ কৰে বুলিও অনুষ্ঠানটোত মন্তব্য কৰে। জীৱনত এতিয়াও বহু কৰণীয় আছে বুলি উল্লেখ কৰি অসুস্থ দেহাৰেও দায়িত্ব পালন কৰি যাব বুলি তেওঁ দৃঢ়তাৰে প্ৰকাশ কৰে।

**(বাইট)**

কালিৰ দৃষ্টিপাতৰ পৰিকল্পনা, প্ৰযোজনা আৰু উপস্থাপন আছিল আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ মুৰববী ৰাজীৱ লোচন বৰঠাকুৰৰ।

০০০০০০

গুৱাহাটী উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ আশুতোষ কুমাৰ আৰু ন্যায়াধীশ অৰুণ দেৱ চৌধুৰীক লৈ গঠিত এখন খণ্ড বিচাৰপীঠে কালি স্কুল শিক্ষা বিভাগক ২০০৮ চনৰ শিশুৰ বিনামূলীয়া শিক্ষাৰ অধিকাৰ আৰু বাধ্যতামূলক শিক্ষা আইনৰ ১২-১গ ধাৰা ৰূপায়ণৰ প'ৰ্টেলত সকলোৰে পঞ্জীয়ন সুনিশ্চিত কৰাৰ বাবে লোৱা পদক্ষেপ সন্দৰ্ভত ১৭ অক্টোবৰৰ ভিতৰত শপতনামা দাখিল কৰিবলৈ নিৰ্দেশ দিয়ে। **উই ফৰ গুৱাহাটী** নামৰ সংগঠনে দাখিল কৰা এখন ৰাজহুৱা স্বাৰ্থজড়িত আবেদনৰ শুনানী গ্ৰহণ কৰি বিচাৰপীঠখনে এই নিৰ্দেশ দিয়ে। বিচাৰপীঠখনে প'ৰ্টেলত অকল অসমীয়া মাধ্যমৰ বিদ্যালয়ৰ পঞ্জীয়নহে কিয় বাধ্যতামূলক কৰা হৈছে তাৰ ব্যাখ্যা দিব আৰু ব্যক্তিগত খণ্ডৰ সকলো বিদ্যালয়ক প'ৰ্টেলত পঞ্জীয়ন কৰোৱাৰ বাবে লোৱা পদক্ষেপ সম্পৰ্কে জনাবলৈ শিক্ষা বিভাগৰ নিৰ্দেশ দিয়ে। ইয়াৰ উপৰি এতিয়ালৈকে প'ৰ্টেলত কিমান বিদ্যালয়ৰ পঞ্জীয়ন হ'ল তাৰ জিলাভিত্তিক তালিকা দাখিল কৰিবলৈও ন্যায়ালয়ে নিৰ্দেশ দিয়ে।

০০০০০০

অসম চৰকাৰৰ ক্ৰীড়া আৰু যুৱকল্যাণ বিভাগে ৰাষ্ট্ৰীয় সেৱা আঁচনি এন এছ্ এছ্‌ৰ অধীনত ২০২২-২৩ আৰু ২০২৩-২৪ বৰ্ষৰ বাবে বাচনিপ্ৰাপ্ত ছাত্ৰ স্বেচ্ছাসেৱক, আঁচনি বিষয়া আৰু সমন্বয়কৰ নাম কালি ৰাজ্যিক বঁটাৰ বাবে ঘোষণা কৰে। সেই অনুসৰি ২০২৩-২৪ বৰ্ষৰ স্বেচ্ছাসেৱকৰ ৰাজ্যিক বঁটাৰ বাবে মঙলদৈ মহাবিদ্যালয় ছাত্ৰ গৌতম ডেকাক বাচনি কৰা হৈছে। এই বঁটাত আছে নগদ ১০ হাজাৰ টকা, এখন মানপত্ৰ আৰু এটা স্মাৰক। ৰাজ্যিক ক্ৰীড়া দিৱস উদযাপনৰ সৈতে সংগতি ৰাখি অহা ৩ ছেপ্তেম্বৰত সৰুসজাইৰ কৰ্মবীৰ নবীন চন্দ্ৰ বৰদলৈ ইণ্ডোৰ ষ্টেডিয়ামত আয়োজিত অনুষ্ঠানত এই বঁটা প্ৰদান কৰা হ'ব। উল্লেখযোগ্য যে, ২০২৩-২৪ বৰ্ষৰ বাবে ৰাজ্যৰ বিশ্ববিদ্যালয় আৰু মহাবিদ্যালয়সমূহৰ পৰা এগৰাকী সমন্বয়ক আৰু তিনি গৰাকী আঁচনি বিষয়াকো এই বঁটাৰ বাবে বাচনি কৰা হৈছে।

০০০০০০

চুবুৰীয়া ৰাজ্য নাগালেণ্ডৰ এটা ছেটেলাইট চেনেলৰ সাংবাদিক দীপ শইকীয়া কালি বিয়লি মণিপুৰৰ পৰা বাতৰি কৰি ঘূৰি অহাৰ পথত দুৰ্বৃত্তই গুলীচালনা কৰে। কালি বিয়লি মণিপুৰত আয়োজিত ফ্লাৱাৰ ফেষ্টিভেলৰ বাতৰি সংগ্ৰহ কৰি উভতি অহাৰ পথত সেনাপতি জিলাত সাংবাদিকগৰাকীক দুৰ্বৃত্তই পথ আগচি ধৰি গুলীচালনা কৰে। গুলীচালনাত গুৰুতৰভাৱে আহত সাংবাদিকগৰাকীক ডিমাপুৰলৈ আনি চিকিৎসা কৰি থকা হৈছে। যোৰহাট জিলাৰ মৰিয়নিৰ বাসিন্দা দীপ শইকীয়াক আক্ৰমণৰ এই ঘটনাকলৈ তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে।

০০০০০০

দৈনিক অসম কাকতে কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ চিকিৎসালয় সুখানুভূতিৰ আধাৰ হ'ব লাগে বুলি মন্তব্যৰে বাতৰি প্ৰকাশ কৰিছে। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে কালি এইমছ গুৱাহাটীত আই এন আই ৰেডিঅ'লোজী আপডেট ২০২৫ উদ্বোধন কৰে।

ব্ৰিটিছ মিউজিয়ামত থকা বৃন্দাবনী বস্ত্ৰ ১৮ মাহৰ বাবে অসমলৈ অনা হ'ব বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ ঘোষণাৰে দৈনিক জনমভূমি কাকতে বাতৰি প্ৰকাশ কৰিছে। এই বাতৰিটো দি আছাম ট্ৰিবিউন আৰু অন্যান্য কাকতেও প্ৰথম পৃষ্ঠাত স্থান দিছে।

অসমীয়া প্ৰতিদিন কাকতে আমেৰিকাৰ ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পৰ শুল্ক প্ৰয়োগৰ নীতিক আমেৰিকাৰ আদালতে অবৈধ আখ্যা দিয়া বাতৰিটো প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

আমেৰিকাৰ সৈতে শুল্ক যুদ্ধৰ সংঘাত অব্যাহত থকাৰ মাজতে সুদৃঢ় মৈত্ৰীৰ লক্ষ্যৰে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী চীনত উপস্থিত হৈছে। এই বাতৰিটো আমাৰ অসম কাকতৰ লগতে অন্যান্য কাকতে প্ৰকাশ কৰিছে।

ইউক্ৰেইনৰ ৰাষ্ট্ৰপতি ভ'ল'ডিমিৰ জেলেনস্কিৰ সৈতে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ ইউক্ৰেইনৰ শেহতীয়া পৰিস্থিতি সন্দৰ্ভত হোৱা টেলিফোনিক বাৰ্তালাপৰ এটা বাতৰি দা ছেণ্টিনেল কাকতে প্ৰকাশ কৰিছে।

অসমক জনজাতি ৰাজ্য ঘোষণাৰ দাবীৰে টাই-আহোম যুৱ পৰিষদে ধাৰাবাহিক আন্দোলন কাৰ্যসূচী গ্ৰহণ কৰিব বুলি ঘোষণা কৰিছে। এই বাতৰিটো দৈনিক অগ্ৰদূত কাকতৰ।

গুৱাহাটী চিকিৎসা মহাবিদ্যালয় আৰু হাস্পতালৰ আই চি ইউত নৱজাতকৰ মৃত্যু সন্দৰ্ভত গঠন কৰা তদন্ত সমিতিৰ প্ৰতিবেদন দুদিনৰ ভিতৰতে কাৰ্যকৰী হ'ব। অসমীয়া খবৰ কাকতে এই বাতৰি প্ৰকাশ কৰিছে।

অসমৰ বনাঞ্চল আৰু চৰকাৰী ভূমিত সন্দেহযুক্ত লোকৰ দখলকাৰীৰ বিৰুদ্ধে ৰাজ্য চৰকাৰে চলোৱা উচ্ছেদক কেন্দ্ৰীয় চৰকাৰে পূৰ্ণ সমৰ্থন জনাইছে। গৃহমন্ত্ৰী অমিত শ্বাহৰ ভাষণৰ উদ্ধৃতিৰে মুখ্যমন্ত্ৰীৰ এই ঘোষণাক নিয়মীয়া বাৰ্তা কাকতে প্ৰথম পৃষ্ঠাৰ বাতৰিত স্থান দিছে।

আহক আমি পুনৰ বাতৰিৰ মাজলৈ ঘূৰি যাওঁ।

০০০০০০

দক্ষিণ শালমাৰা মানকাচৰ-বাংলাদেশ সীমান্তৱৰ্তী কোকৰাদাঙাত যোৱা প্ৰায় এমাহ ধৰি সৃষ্টি হোৱা খহনীয়াৰ ভাবুকি প্ৰতিহত কৰিবলৈ জলসম্পদ বিভাগে প্ৰচেষ্টা অব্যাহত ৰাখিছে। যোৱা ২৪ আগষ্টত জলসম্পদ মন্ত্ৰী পীযুষ হাজৰিকাই কোকৰাডাঙাত উপস্থিত হৈ খহনীয়া পৰিদৰ্শন কৰাৰ লগতে ১০০ বছৰ গেৰাণ্টিযুক্ত জিঅ' মেগাটিউবৰ জৰিয়তে ৫০০ মিটাৰ এলেকাত খহনীয়া প্ৰতিৰোধী কাম কৰিবলৈ নিৰ্দেশ দিয়ে। সেই অনুসৰি যোৱা এসপ্তাহ ধৰি ১০০ মিটাৰ এলেকাত খহনীয়া স্থায়ী প্ৰতিৰোধৰ বাবে কাম চলি আছে। উল্লেখযোগ্য যে, জিলাখনত ব্ৰহ্মপুত্ৰৰ পাৰত বসবাস কৰা ৯ টা পৰিয়ালে খহনীয়াৰ ফলত নিজৰ ঘৰবাৰী আৰু সা-সম্পত্তি হেৰুৱাবলগীয়া হৈছে। সীমান্ত সংযোগী পথ আৰু বৰাইৰ আলগা বি এছ এফ শিবিৰৰ প্ৰতিও খহনীয়াই ভাবুকিৰ সৃষ্টি কৰিছে।

০০০০০০

বতৰৰ বতৰা–

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত বতৰ ডাৱৰীয়া হৈ থকাৰ লগতে দুই-এজাক বৰষুণ হোৱাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ৩৪ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন ২৫ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত মেঘালয়, অৰুণাচল প্ৰদেশ, অসম, মণিপুৰ, মিজোৰাম, ত্ৰিপুৰা আৰু নাগালেণ্ডৰ ঠাই বিশেষে মজলিয়া বৰষুণ দিয়াৰ সম্ভাৱনা আছে বুলি বতৰ বিজ্ঞান কেন্দ্ৰই আগলি বতৰা দিছে।

০০০০০০

সমাপ্ত